**দিগন্ত ওজা আৰু দেওবৰ ৰামচিয়াৰীলৈ শিশু সাহিত্য পুৰস্কাৰ**

**■ প্ৰদ্যুম্ন কুমাৰ গগৈ আৰু অলংকাৰ মুছাহাৰীলৈ যুৱ পুৰস্কাৰ**

# চাৰি অসমীয়ালৈ সাহিত্য অকাদেমি বঁটা






গুৱাহাটী ঃ ষ্টাফ ৰিপ'ৰ্টাৰ, ২৪ আগষ্ট ঃ অসমৰ সাহিত্য ক্ষেত্ৰলৈ পুনৰ সুখবৰ। চাৰি অসমীয়াই লাভ কৰিছে সাহিত্য অকাদেমি বঁটা। দেশৰ বিভিন্ন ভাষাৰ উৎকৃষ্ট সাহিত্যৰ বাবে সাহিত্য অকাদেমিয়ে আজি ঘোষণা কৰা যুৱ পুৰস্কাৰ আৰু শিশু সাহিত্য পুৰস্কাৰ

৮ পিঠিত

Continue reading......

# চাৰি অসমীয়ালৈ সাহিত্য অকাদেমি...

*এক পিঠিৰ পৰা* লাভ কৰিছে চাৰিজনকৈ অসম সন্তানে। প্ৰতিভাৱান যুৱ সাহিত্যিক প্ৰদ্যুম্ন কুমাৰ গগৈ আৰু অলংকাৰ মুছাহাৰীলৈ ২০২২ বৰ্ষৰ সাহিত্য অকাদেমি যুৱ পুৰস্কাৰ আগবঢ়োৱা হৈছে। আনহাতে বিশিষ্ট সাংবাদিক তথা সাহিত্যিক দিগন্ত ওজা আৰু দেওবৰ ৰামচিয়াৰীলৈ ২০২২ বৰ্ষৰ সাহিত্য অকাদেমিৰ শিশু সাহিত্য পুৰস্কাৰ আগবঢ়োৱা হৈছে। প্ৰণিধানযোগ্য যে 'অসমীয়া ভাষাৰ চৰ্কী আৰু অন্যান্য গল্প' শীৰ্ষক চুটি গল্প সংকলনৰ বাবে প্ৰদ্যুম্ন কুমাৰ গগৈয়ে যুৱ পুৰস্কাৰ লাভ কৰে। আনহাতে বড়ো ভাষাৰ চুটি গল্প সংকলন 'গেং ফুজানে মাছে দাওৰ'ৰ বাবে অলংকাৰ মুছাহাৰীয়ে যুৱ পুৰস্কাৰ লাভ কৰে। ইফালে 'ভাওৰ মানুহৰ সাধু' নামৰ শিশু গ্ৰন্থৰ বাবে দিগন্ত ওজালৈ অসমীয়া ভাষাৰ আৰু 'লাংগৌনানী নখালী গ'থ'' নামৰ শিশু উপন্যাসৰ বাবে দেওবৰ ৰামচিয়াৰীলৈ শিশু সাহিত্য বঁটা আগবঢ়োৱা হয়। দুয়োটা বঁটাৰ সৈতে তাম্ৰপত্ৰ আৰু ৫০ হাজাৰ টকাৰ চেক প্ৰদান কৰা হ'ব। উল্লেখযোগ্য যে আজি সাহিত্য অকাদেমিয়ে দেশৰ ২৩জন যুৱ সাহিত্যিকলৈ চলিত বৰ্ষৰ যুৱ পুৰস্কাৰ ঘোষণা কৰে। অৱশ্যে মাৰাঠী ভাষাৰ বাবে পৰৱৰ্তী পৰ্যায়ত বঁটা ঘোষণা কৰা হ'ব। একেদৰে অকাদেমিয়ে দেশৰ ২২জন সাহিত্যিকলৈ শিশু সাহিত্য বঁটা আগবঢ়ায়। অৱশ্যে এইবাৰ পঞ্জাৱী ভাষাৰ বাবে বঁটা ঘোষণা নকৰাৰ লগতে চাওঁতালী ভাষাৰ বাবে পৰৱৰ্তী পৰ্যায়ত বঁটা ঘোষণা কৰিব বুলি অকাদেমিয়ে ঘোষণা কৰে। প্ৰণিধানযোগ্য যে চলিত বৰ্ষত শিশু সাহিত্য বঁটা লাভ কৰা সাহিত্যসমূহ ২০১৬ বৰ্ষৰ ১ জানুৱাৰীৰ পৰা ২০২০ বৰ্ষৰ ৩১ ডিচেম্বৰৰ ভিতৰত প্ৰকাশ পোৱা। বঁটা লাভ কৰাৰ পাছত বিশিষ্ট সাংবাদিক দিগন্ত ওজাই নিজৰ অনুভৱ প্ৰকাশ কৰি কয় যে শিশুৰ বাবে লিখা প্ৰথমখন কিতাপৰ বাবেই এই বঁটা লাভ কৰি উৎসাহিত হৈ পৰিছে। কিতাপখন প্ৰকাশ পোৱাৰ পাছত পঢ়ি কেইবাজনো শিশুৱে ভাল পোৱা বুলি জনোৱাৰ সময়তো তেওঁ আনন্দিত হৈ পৰিছিল বুলিও প্ৰকাশ কৰে। নিজৰ সন্তানৰ তাগিদাত এই কিতাপখন লিখিবলৈ আগবাঢ়ি অহাৰ কথাও সদৰী কৰি তেওঁ কয় যে লিখাৰ সময়ত প্ৰতিটো মুহূৰ্তত শিশুসকলৰ মনস্তত্ত্ব আৰু তেওঁলোকৰ অনুভৱ সন্মুখত ৰাখি লিখাৰ চেষ্টা কৰিছিল। আজি বঁটা লাভ কৰা কাৰ্যই তেওঁক ভৱিষ্যতলৈয়ো শিশু সাহিত্য সৃষ্টি কৰি যাবলৈ উৎসাহিত কৰিব বুলিও সদৰী কৰে। সাহিত্য সমালোচক হিচাপে সাহিত্য চৰ্চা আৰম্ভ কৰা সাংবাদিক দিগন্ত ওজাই ছ'চিয়েল হিষ্ট'ৰীৰ ওপৰতো লিখা-মেলা কৰি আছে বুলি কয়। অসমত নতুন নতুন বিষয়ত শিশু সাহিত্যৰ সৃষ্টি প্ৰয়োজনতকৈ কম বুলিও তেওঁ প্ৰকাশ কৰে।

**■ সাহিত্য অকাদেমিৰ বঁটাপ্ৰাপ্ত দুই বড়ো লেখকলৈ অভিনন্দন ঃ বাক্সা আৰু কোকৰাঝাৰৰ** নিজা বাতৰি দিওঁতা ঃ বি টি আৰৰ বাক্সা জিলাৰ শিক্ষক তথা লেখক দেওবাৰ ৰামচিয়াৰীলৈ 'লাংগোনানি নখালি গথ' বড়ো পুথিৰ বাবে এইবেলি সাহিত্য অকাদেমিৰ ২০২২ বৰ্ষৰ শিশু সাহিত্য বঁটা আৰু একেখন জিলাৰে উদীয়মান লেখক অলংকাৰ মুছাহাৰীয়ে 'গাং ফুজানায় মাছে দাও' শীৰ্ষক বড়ো চুটি গল্পৰ বাবে যুৱ সাহিত্য অকাদেমি বঁটাৰে বিভূষিত হোৱাত আজি সমগ্ৰ বি টি আৰ অঞ্চলত আনন্দৰ জোৱাৰ উঠে। আজি দুয়োগৰাকী সাহিত্যিকলৈ আন্তৰিক অভিনন্দন জনায় নিখিল বড়ো ছাত্ৰ সন্থাই। এটা বিবৃতিত একছুৰ সভাপতি দ্বিপেন বড়োৱে এয়া বড়ো সাহিত্যৰ বাবে সু খবৰ বুলি ব্যক্ত কৰে। উল্লেখযোগ্য যে বড়ো সাহিত্য সভাৰ সৈতে দীৰ্ঘদিন ধৰি জড়িত দেওবাৰ ৰামচিয়াৰীয়ে লাংগোনানি নখালি গথ', চিচৰিন আং আৰো গুবাং, অঞ্জলী ধাৰা, অভাৰব্ৰিজ আদিকে ধৰি দুখনকৈ গ্ৰন্থ লিখি সমাজৰ লাভ কৰিবলৈ সক্ষম হৈছে। তেওঁৰ এই বঁটাৰ বাবে উৎফুল্লিত হৈ পৰিছে শিক্ষয়িত্ৰী পত্নী বেণু মুছাহাৰী। তেওঁ ৰামচিয়াৰীক লিখাৰ বাবে উৎসাহ দিয়াৰ কথা দোহাৰে। ২০১৪ চনতে লিখা শিশু উপন্যাসখনৰ বাবে এই বঁটা লাভ কৰিছে যদিও এই বঁটা পাব বুলি ভবা নাছিল বুলি কয় দেওবাৰ ৰামচিয়াৰীয়ে। দেওবাৰ ৰামচিয়াৰীয়ে ১৯৯৪ চনৰ পৰা লিখা আৰম্ভ কৰিছিল যদিও তেওঁৰ প্ৰথম গ্ৰন্থ প্ৰকাশ পায় ১৯৯৯ চনত। আনহাতে, বড়ো ভাষাৰ নূতন লেখকৰ এই সাফল্যত বৰমা শাখা সাহিত্য সভা, বাক্সা প্ৰেছ ক্লাব, বড়ো সাহিত্য সভা, লেখিকা বৰ্ষা চৌধুৰী আদিয়ে শুভেচ্ছা জ্ঞাপন কৰে।